# আব্দুল হালিম

*'সপোন দেখিবলৈ লোৱা,*
*কাৰণ সপোন আঁতৰি গ'লেই*
*জীৱনটো হৈ পৰিব এক চৰণীয়া পথাৰ।'*

প্ৰখ্যাত কবি লংষ্টোন হিউগ'ৰ কতিবাৰ এই দুটা শাৰী কবিগৰাকীয়ে যেন গোৱালপাৰা জিলাৰ আব্ৰাভিটা গাঁৱৰ যুৱ কৃষক আব্দুল হালিমৰ উদ্দেশ্য কৰিয়েই লিখিছিল।

আব্দুল হালিমে সৰুকালৰ পৰাই সপোন দেখিছিল এখন গাড়ী কিনাৰ। শৈশৱ তেওঁ পাৰ কৰিছিল এখন পুতলা গাড়ীৰ সৈতে খেলি। সপোনে - দিঠকে তেওঁক দেখি ফুৰিছিল মাথো এটি স্বপ্নই - সেয়া হ'ল এখন নিজৰ গাড়ী।

হালিমৰ সপোনৰ বাস্তৱ ৰূপ দিয়াৰ বাবেই যেন তেওঁৰ পিতৃয়ে তেওঁক বুজনি দিলে, অনৰ্থক সপোন দেখি কোনো লাভ নাই, সপোন ফলিয়ায় বাস্তৱৰ পৰা, সপোন ফলিয়ায় নিজ কৰ্মৰ পৰা। পিতৃয়ে তেওঁক উপদেশ দিলে, যদিহে গাড়ী ভাল পোৱা তেনেহ'লে প্ৰথমতে মাটিক ভাল পাবলৈ শিকা। পৰিয়ালটোৰ ৬ বিঘা মাটিত তুমি নিজ কষ্টৰে সোনগুটি গজাব পাৰা, গাড়ী কিনাৰ বাবে সেয়াই হ'ব তোমাৰ প্ৰথম সমল।

পিতৃৰ মন চুই যোৱা কথাই হালিমৰ দৃষ্টি আকৰ্ষণ কৰিলে নিজৰ সেই ৬ বিঘা মাটিৰ প্ৰতি। কঠোৰ কষ্ট আৰু অধ্যৱসায়েৰে তেওঁৰ সমগ্ৰ ধ্যান-ধাৰণা নিমগ্ন হ'ল সেই ৬ বিঘা মাটিত। হালিম যেন এক Mission ৰ প্ৰতিভূ। সূৰ্যোদয়ৰ পৰা সূৰ্যাস্তলৈকে তেওঁ ব্যস্ত হৈ পৰিল সেই ৬ বিঘা কৃষিভূমিত। স্থানীয় কৃষি উন্নয়ন বিষয়াগৰাকীৰ পৰা তেওঁ শিকি ল'লে আধুনিক কৃষি বিজ্ঞানৰ বহুবোৰ কথা। মৰাপাট, ভেন্দি, বিলাহী, পিয়াজ, জলকীয়া, মিঠা আলু, বৰ্ণসংকৰ ধানৰ খেতি, মাহজাতীয় শস্যৰ খেতি আদিয়ে তেওঁৰ আয় প্ৰতিবছৰে আগৰ বছৰটোতকৈ দুগুণ বৃদ্ধি কৰিবলৈ ল'লে। ২৬ বছৰীয়া হালিমৰ সপোন বাস্তৱত পৰিণত হ'ল। এখন গাড়ী কিনাৰ আশৈশৱ সপোন দেখা হালিমৰ বাদে এখন গাড়ী কিনাটো এতিয়া অতি সাধাৰণ কথা।




কৃষি মন্ত্ৰী শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্মাই আব্দুল হালিমক অভিনন্দন জনাইছে।

মিশ্ৰিত কৃষি পদ্ধতিৰ উপযুক্ত ৰূপায়ণ, পাম পৰিচালনাৰ বাবে বিজ্ঞানসন্মত পদ্ধতি, কঠোৰ পৰিশ্ৰম, লক্ষ্যত উপনীত হোৱাৰ দূৰন্ত মানসিকতা আৰু কৰ্মক এক Mission হিচাপে ল'ব পৰা গুণৰ বাবেই কেন্দ্ৰীয় চৰকাৰৰ কৃষি মন্ত্ৰালয়ে আব্দুল হালিমক দেশৰ ১০১ জন শ্ৰেষ্ঠ কৃষকৰ ভিতৰৰ এজন হিচাপে স্বীকৃতি দিছে।

আব্দুল হালিমলৈ আমাৰ অভিনন্দন!